যোৰহাট কলেজত জাতীয় ক্ৰীড়া দিৱস পালন

যোৰহাট ঃ ২৯ আগষ্ট ঃ যোৰহাট কলেজ (একত্রিত)ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষ (IQAC)ৰ উদ্যোগত মহাবিদ্যালয়খনৰ স্পৰ্টছ ক্লাব আৰু এন এছ এছৰ সহযোগত জাতীয় ক্ৰীড়া দিৱস উপলক্ষে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। ডঁ তৰুণ লয়িঙে উদ্বোধনী ভাষণত হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ অসাধাৰণ অৱদানৰ কথা স্মৰণ কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক তথা বিভাগীয় মুৰব্বী ৰক্তিমজ্যোতি হাজৰিকাই ভাৰতীয় ক্ৰীড়া আৰু খেলৰ ইতিহাস তথা ঐতিহ্যৰ বিষয়ে বক্তব্য আগবঢ়ায়। চলিত বৰ্ষৰ জাতীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তুৰ সৈতে সংগতি ৰাখি হাজৰিকাই সকলোধৰণৰ খেল আৰু খেলুৱৈক সমৰ্থন জনাবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। মহাবিদ্যালয়খনৰ IQAC ৰ সমন্বয়ক ডঁ শুভ্রজ্যোতি চন্দয়ো ভাৰতীয় ক্ৰীড়াক্ষেত্রৰ বিভিন্ন প্রত্যাহ্বানৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ ফিফা বিশ্বকাপ, হকী চেম্পিয়নশ্বিপ আৰু অলিম্পিকৰ দৰে বৃহৎ আন্তঃৰাষ্ট্রীয় প্রতিযোগিতাসমূহত ভাৰতৰ অধিক সফলতা লাভৰ প্রয়োজনীয়তাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ ভাব-বিনিময় খণ্ডত ক্রিকেট, কাৰাটে, ফুটবল, ফেন্সিং, বক্সিং আৰু আৰ্ম ৰেছলিং আদি বিভিন্ন খেলত ৰাজ্যিক আৰু ৰাষ্ট্রীয় পর্যায়ত যোৰহাট কলেজক প্রতিনিধিত্ব কৰা কেইবাগৰাকীও শিক্ষার্থীয়ে নিজৰ অভিজ্ঞতা ব্যক্ত কৰে। বহু ছাত্র-খেলুৱৈয়ে আর্থিক সহায় আৰু পৃষ্ঠপোষকতাৰ অভাৱৰ বাবে খেলৰ প্রস্তুতি চলোৱা আৰু বিভিন্ন প্রতিযোগিতাত অংশগ্রহণ কৰাৰ ক্ষেত্রত সমস্যাৰ সম্মুখীন হোৱাৰ কথা উল্লেখ কৰে। এই সমস্যাসমূহৰ সমাধানৰ উদ্দেশ্যে সমাজতত্ত্ব বিভাগৰ মুৰব্বী ডঁ বিশ্বজিত বৰাই ৰাষ্ট্রীয় পর্যায়ত অংশগ্রহণ কৰিব বিচৰা উদীয়মান ছাত্র-খেলুৱৈসকলক সহায় কৰাৰ বাবে এক বিশেষ 'ক্রীড়া পুঁজি' গঠন কৰাৰ প্রস্তাৱ আগবঢ়ায়।